**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-JUNE-2026 **Time :** 1100 HRS

***Assamese Morning Bulletin***

অসমে প্ৰধানমন্ত্ৰী সূৰ্যঘৰ আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত দেশৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ ভিতৰত স্থান লাভ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী সূৰ্যঘৰ বিনামূলীয়া বিদ্যুৎ বিজুলী যোজনাৰ সফল ৰূপায়ণে অসমক দেশৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ মাজত স্থান দিছে। তেওঁ লগতে কয়, যে ৰাজ্যৰ ১৭ দশমিক ৬ শতাংশ চাঁদত সৌৰ শক্তি সংযোগ লাভ কৰা উপভোক্তাৰ বিদ্যুৎ মাচুল শূন্য হৈ পৰিছে। সেউজ শক্তিৰ দিশত এয়া গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী সৌৰঘৰ আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত গুজৰাট প্ৰথম, মহাৰাষ্ট্ৰ দ্বিতীয়, উত্তৰপ্ৰদেশ তৃতীয়, অসম চতুৰ্থ আৰু কেৰলম পঞ্চম স্থানত আছে।

০০০০০০০

কৃষিমন্ত্ৰী পীযুষ হাজৰিকাই ৰাজ্যৰ পঞ্জীয়নভুক্ত কৃষকৰ সংখ্যা ৪০ লাখলৈ বৃদ্ধি কৰাৰ লক্ষ্য লৈছে। ৰাজ্যত বৰ্তমান ২৬ লাখ ৫০ হাজাৰ পঞ্জীয়নভুক্ত কৃষক আছে। পঞ্জীয়নভুক্ত কৃষকৰ সংখ্যা আৰু অধিক হ'ব লাগে যদিও আনৰ মাটি আধিয়া লৈ খেতি কৰা কৃষকে নাম পঞ্জীয়ন কৰিব নোৱাৰাৰ বাবে এই সংখ্যা কম হৈ আছে। মন্ত্ৰীগৰাকীয়ে কয়, যে আধিয়াকৈ খেতি কৰা কৃষকেও যাতে নাম পঞ্জীয়ন কৰিব পাৰে, তাৰবাবে কেন্দ্ৰীয় চৰকাৰৰ সৈতে যোগাযোগ কৰা হৈছে। খানাপাৰাৰ অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত কালি কৃষি বিশ্ববিদ্যালয় আৰু কৃষি বিভাগে যুটীয়াভাৱে আয়োজন কৰা ইণ্টাৰফেচৰ উদ্বোধনী অনুষ্ঠানৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী হাজৰিকাই কয়, যে কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে অসমত বীজ পাম স্থাপনৰ বাবে ১৫০ বিঘা মাটি বিচাৰিছে। এই পাম স্থাপনৰ বাবে ৪ ঠাইত ইতিমধ্যে মাটি চোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শ্ৰী হাজৰিকাই কয়, যে কৃষকক ভাল উদ্ভিদ শস্যৰ পুলি দিয়াৰ বাবে কঠীয়াতলীত উদ্ভিদ শস্যৰ পুলি প্ৰস্তুত কৰিবলৈ ১০০ বিঘা মাটিত এখন নাৰ্ছাৰী স্থাপন কৰা হ'ব আৰু ভৱিষ্যতে এই নাৰ্ছাৰীৰ অধিক সম্প্ৰসাৰণ কৰা হ'ব। ভৱিষ্যতে ৰাজ্যৰ উদ্যান শস্য আৰু পাচলি উৎপাদনত অধিক গুৰুত্ব দিয়া হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো অহা ২৮ জুনত ৰাষ্ট্ৰীয় প্ৰতিষেধক দিৱস পালন কৰা হ'ব। এই দিৱসৰ অংশ হিচাপে সেইদিনা সকলো জিলাতে জন্মৰ পৰা ৫বছৰ বয়সৰ শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। স্বাস্থ্য বিভাগে ৰাষ্ট্ৰীয় প্ৰতিষেধক দিৱস পালনৰ বাবে যাৱতীয় প্ৰস্তুতি চলাইছে। এই অনুসৰি ৰাজ্যৰ মুঠ ৪৫লাখ শিশুক পলিঅ' প্ৰতিষেধক প্ৰদানৰ বাবে প্ৰায় ২৪ হাজাৰ প্ৰতিষেধক বুথ কাৰ্যক্ষম কৰি তোলা হৈছে। পৰহিলৈৰ পাছত ২৯ আৰু ৩০ জুনত ভ্ৰাম্যমান স্বাস্থ্য দলে ঘৰে ঘৰে গৈ প্ৰতিষেধক প্ৰদান অভিযান চলাব। তদুপৰি বাছ আস্থান আৰু বজাৰ অঞ্চলৰ উপৰি ইটা ভাটা তথা চহৰৰ বস্তি অঞ্চলৰ শিশুসকলেও পলিঅ' প্ৰতিষেধক লাভ কৰাতো নিশ্চিত কৰা হ'ব। ৰাজ্যৰ প্ৰতিখন জিলাতে তিনিদিনীয়া এই অভিযান সুচাৰুৰূপে পৰিচালনাৰ বাবে বিদ্যালয় শিক্ষা বিভাগ, মহিলা আৰু শিশু বিকাশ বিভাগৰ কৰ্মচাৰীৰ উপৰি প্ৰায় ৯২ হাজাৰ স্বাস্থ্য বিষয়া, কৰ্মচাৰী আৰু আগশাৰীৰ স্বাস্থ্যকৰ্মী নিয়োজিত কৰা হ'ব। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহালে সকলো পিতৃ-মাতৃক এই অভিযানৰ সময়ছোৱাত শিশুক দুটোপাল পলিঅ' প্ৰতিষেধক খোৱাই তেওঁলোকৰ জীৱন সুৰক্ষিত কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

শিৱসাগৰ আৰক্ষীয়ে মাদক দ্ৰব্য বিৰোধী অভিযান চলাই যোৱা নিশা জেঙনিকটীয়া ডেকা বৰবৰুৱা পথৰ পৰা বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ এগৰাকী মহিলাক আটক কৰে। ঘটনাৰ সৈতে জড়িত ধৃত মহিলাগৰাকীৰ স্বামী চাদিকুল ইছলাম বৰ্তমানেও পলাতক অৱস্থাত আছে বুলি আৰক্ষীয়ে জনাইছে। কলিয়াবৰৰ এই দম্পতি  জেঙনিকটীয়া অঞ্চলত ভাৰাতীয়া হিচাপে আছিল। আৰক্ষীয়ে অভিযানত চাবোনৰ বাকচত লুকুৱাই থোৱা ভালেখিনি মাদক দ্ৰব্য জব্দ কৰাৰ লগতে তেওঁলোকৰ বাসগৃহৰ পৰা বহু পৰিমাণৰ কাঁহৰ বাচন বৰ্তনো জব্দ কৰে। ঘটনাৰ সংক্ৰান্তত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

০০০০০০০

চিৰাং জিলাৰ কাকাৰাগাওঁ কমাডোঙাত যোৱা নিশা সংঘটিত এটা দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হয়। আৰক্ষী সূত্ৰই জনোৱা মতে কালি নিশাৰ ভাগত তীব্ৰ বেগত অহা এখন চাৰিচকীয়া বাহন নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিৰ এটা পুখুৰীত সোমাই যোৱাৰ ফলত চালকজনৰ মৃত্যু ঘটে। স্থানীয় লোকে পুৱাৰ ভাগত পুখুৰীটোত বাহনখন প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষী আৰু এছ ডি আৰ এফৰ দল উপস্থিত হৈ মৃত চালকজনসহ বাহনখন উদ্ধাৰ কৰে। মৃত লোকজন গোৱালপাৰাৰ তাৰাপাৰা নিবাসী হাৰাধন দত্ত বুলি চিনাক্ত কৰা হৈছে।

০০০০০০০

**সমাপ্ত**